চি.ডি.পি.অ' (সোনাৰি)এফ-১/২০১০-১১/১০১০

# বিজ্ঞাপন

অসম চৰকাৰৰ সমাজ কল্যাণ সঞ্চালকৰ চিঠি নং-DSW(ICDS)G/110/2017/Pt/56, Dtd. Guwahati the 28th January, 2019ৰ মৰ্মে সোনাৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত খালী হৈ থকা তলত উল্লিখিত অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকা আৰু ক্ষুদ্ৰ অংগনৱাড়ী কেন্দ্ৰ (মিনি)ৰ অংগনৱাড়ী কৰ্মী পদৰ বিপৰীতে স্বেচ্ছামুলকভাৱে সেৱা আগবঢ়াবলৈ উক্ত এলেকাৰ স্থানীয় মহিলা প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

১) খালী হৈ থকা অংগনৱাড়ী কেন্দ্ৰ আৰু পদৰ নামৰ তালিকা ঃ

| ক্ৰঃনং | কেন্দ্ৰৰ নাম | পঞ্চায়ত | পদৰ নাম |
|---|---|---|---|
| ১ | ডোমৰ দলং ৩নং লাইন | চেপন | মিনি অঃ কৰ্মী |
| ২ | বাৰেঘৰীয়া | সৰ্বোদয় | মিনি অঃ কৰ্মী |
| ৩ | মৰাণ টাউন ১ নং ৱাৰ্ড | মৰাণ টাউন | অঃ সহায়িকা |
| ৪ | মৰাণ টাউন ৬ নং ৱাৰ্ড | মৰাণ টাউন | অঃ সহায়িকা |
| ৫ | চেপন চাহ বাগিচা (ক) | চেপন | অঃ সহায়িকা |
| ৬ | খেৰণীপথাৰ আৰু ২ নং নিৰ্মলীয়া | উদয়পুৰ | অঃ সহায়িকা |
| ৭ | মাজকোঁৰৰ গাঁও | ভৰালীপুখুৰী | অঃ সহায়িকা |

**২) শিক্ষাগত অৰ্হতা ঃ**

(ক) অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী আৰু ক্ষুদ্ৰ (মিনি) অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী পদৰ প্ৰাৰ্থীগৰাকী 'অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ' পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত (HSSLC Exam. Passed from Assam Higher Secondary Education Council) বা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কোনো বৰ্ড-কাউন্সিল, অসমৰ অন্তৰ্গত সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

অৱশ্যে এনে উল্লিখিত অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ অভাৱ হ'লে 'অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ'ৰ পৰা প্ৰৱেশিকা পৰীক্ষা-হাইমাদ্ৰাছা পৰীক্ষাত (HSLC./AHM Examination Pass from Board of Secondary Education, Assam) উত্তীৰ্ণ হ'ব লাগিব।

(খ) অংগনৱাড়ী সহায়িকা পদৰ প্ৰাৰ্থীগৰাকী অসম মাধ্যমিক শিক্ষা সংসদৰ অধীনত প্ৰৱেশিকা পৰীক্ষা-হাইমাদ্ৰাছা পৰীক্ষাত (HSLC/AHM Examination Pass from Board of Secondary Education, Assam) উত্তীৰ্ণ হ'ব লাগিব অথবা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কোনো বৰ্ডৰ অন্তৰ্গত সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। অৱশ্যে এনে উল্লিখিত অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ অভাৱ হ'লে এনেক্ষেত্ৰত নৱম মান শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীয়ে তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ বিদ্যালয়ৰ পৰিদৰ্শকৰ দ্বাৰা Counter Signed কৰোৱা হ'ব লাগিব।

**বয়স ঃ**

আবেদন কৰা প্ৰাৰ্থী গৰাকীৰ বয়স যোৱা ইং ০১/০৪/২০২১ তাৰিখত ১৮ বছৰৰ পৰা ৪৪ বছৰৰ ভিতৰত হ'ব লাগিব।

**নিয়মাৱলী ঃ**

ঃঃ প্ৰাৰ্থীসকল আবেদন কৰা অংগনৱাড়ী কেন্দ্ৰ জৰীপ এলেকাৰ অন্তৰ্গত স্থায়ী বাসিন্দা হ'ব লাগিব আৰু জৰীপ এলেকাৰ স্থায়ী বাসিন্দা হয় বুলি সংশ্লিষ্ট গাঁওবুঢ়া-পঞ্চায়তৰ সভাপতিৰ পৰা প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

ঃঃ চৰকাৰী জাননী নং SWD.449/2007/29, Dtd. 12/09/2007 অনুসৰি ৩ শতাংশ পদ বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ বাবে সংৰক্ষিত থাকিব। বিশেষভাৱে সক্ষম প্ৰাৰ্থীৰ যাৱতীয় প্ৰমাণপত্ৰ সংশ্লিষ্ট স্বাস্থ্য বৰ্ডৰ পৰা সংগৃহীত হ'ব লাগিব।

ঃঃ প্ৰাৰ্থীসকল মাতৃ আৰু শিশুৰ কল্যাণৰ হকে নিষ্ঠা সহকাৰে কাম কৰাৰ প্ৰতি আগ্ৰহী হ'ব লাগিব আৰু অনানুষ্ঠানিক প্ৰাক্ প্ৰাথমিক শিক্ষা, প্ৰাক্ শৈশৱ শিশুৰ যতন আৰু শিক্ষা, পৰিপূৰক পুষ্টি আদিকে ধৰি সংহত শিশু বিকাশ সেৱা আঁচনিয়ে সামৰা অন্যান্য সেৱাসমূহত সমাজক জড়িত কৰিব পৰা হ'ব লাগিব।

ঃঃ মানসিকভাৱে দুৰ্বল মন (Unsound mind) ৰ অধিকাৰী, দুৰ্বল স্বাস্থ্য (Poor Health) আৰু গুৰুতৰ অসুখত ভোগা, অপৰাধ সংক্ৰান্তীয় গোচৰত লিপ্ত হোৱা প্ৰাৰ্থীৰ প্ৰাৰ্থিত্ব নাকচ কৰা হ'ব।

ঃঃ বিদ্যালয় বা মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰীক উক্ত পদৰ পৰা বিবেচনা কৰা নহ'ব।

ঃঃ সদ্য নিযুক্তি প্ৰাপ্ত কোনো অংগনৱাড়ী কৰ্মী-সহায়িকা আৰু আবেদন পত্ৰ গ্ৰহণ কৰা সময় সীমাৰ ভিতৰত অংগনৱাড়ী কেন্দ্ৰৰ জৰীপ এলেকাৰ বাহিৰৰ পৰা প্ৰব্ৰজন হোৱা প্ৰাৰ্থীৰ প্ৰাৰ্থিত্ব নাকচ কৰা হ'ব।

ঃঃ প্ৰাৰ্থীসকলে আবেদনৰ লগতে নিজে প্ৰত্যায়িত কৰা শিক্ষাগত অৰ্হতা, নম্বৰতালিকা, অন্যান্য অভিজ্ঞতা (যদি আছে) জাতিৰ প্ৰমাণপত্ৰ, সংশ্লিষ্ট এলেকাৰ বাসিন্দাৰ প্ৰমাণপত্ৰ, শাৰীৰিক অক্ষমতাৰ প্ৰমাণপত্ৰ ইত্যাদিৰ নকল কপি দাখিল কৰিব লাগিব, অন্যথা সাক্ষাৎকাৰৰ পৰা প্ৰাৰ্থীগৰাকী বঞ্চিত হ'ব।

ঃঃ প্ৰাৰ্থীসকলে কাৰ্যালয়ৰ পৰা নিৰ্দ্ধাৰিত কৰা আবেদন পত্ৰ নিম্ন স্বাক্ষৰকাৰী কাৰ্যালয়ৰ পৰা কাৰ্যালয় চলি থকা সময়ত সংগ্ৰহ কৰিব পাৰিব।

ঃঃ প্ৰাৰ্থীৰ আবেদন অহা ইং ২৭/১২/২০২১ তাৰিখৰ পৰা ১০/০১/২০২২ তাৰিখলৈ পুৱা ১০-০০ বজাৰ পৰা বিয়লি ৩-০০ বজাৰ ভিতৰত কাৰ্যালয়ত গ্ৰহণ কৰা হ'ব।

ঃঃ সাক্ষাৎকাৰৰ দিন, সময় আৰু স্থান ইত্যাদি সেই এলেকাৰ মুখ্য সেৱিকা আৰু স্থানীয় গাঁওবুঢ়াৰ জৰিয়তে জনোৱা হ'ব।

ঃঃ আবেদন পত্ৰ দাখিল কৰা বিবেচিত প্ৰাৰ্থীসকলক ব্যক্তিগতভাৱে কোনো যোগাযোগ কৰা নহয়। অসম্পূৰ্ণ বা অশুদ্ধ আবেদন নাকচ কৰা হ'ব।

ঃঃ সেৱা আগবঢ়াবলৈ বিবেচিত হোৱা প্ৰাৰ্থীসকলে পৰৱৰ্তী পৰ্যায়ত চৰকাৰী চিকিৎসকৰ পৰা নিজৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্য সম্পৰ্কীয় (Medical Certificate) প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

ঃঃ কোনো ভুল তথ্য বা নথি দাখিল কৰি যদি কোনো প্ৰাৰ্থী বিবেচিত হয়, পিছত প্ৰমাণিত হ'লে সেই প্ৰাৰ্থীক নিৰ্দিষ্ট পদৰ পৰা বৰ্খাস্ত কৰা হ'ব।

**পাৰিতোষিক ঃ**

১) ক্ষুদ্ৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ বাবে ৩৫০০ + ১২৫০/- পাৰিতোষিক দিয়া হ'ব।

২) সহায়িকাসকলক ২২৫০ + ১০০০/- টকা পাৰিতোষিক দিয়া হ'ব।

৩) প্ৰাৰ্থীসকলক সাক্ষাৎকাৰলৈ অহা-যোৱাৰ কোনো ভ্ৰমণ বানচ দিয়া নহয়।

স্বা/- শিশু উন্নয়ন প্ৰকল্প বিষয়া

Janasanyog/D/12096/21

**সোনাৰি সংহত শিশু উন্নয়ন প্ৰকল্প, মৰাণহাট, চৰাইদেউ**